# অসমৰ মহিলা তৰফৰ পৰা গয়া কংগ্ৰেছত যোগদান

ককাইদেউৰ লগত মোৰ কংগ্ৰেছলৈ যোৱা ঠিক হ'ল। ককাইদেৱে নিজৰ পুতেক বাপধনকো (ৰমেশ চন্দ্ৰ বৰুৱা) আমাৰ লগত ল'লে। তেতিয়া বাপধনৰ বয়স ১০ বছৰমান আছিল।

গুৱাহাটীৰ পৰা তৰুণ ফুকন আৰু আন আন কংগ্ৰেছৰ লোক-সকলৰ সৈতে ডাক্তৰ দাসো গয়া কংগ্ৰেছলৈ গল। সেইবাৰ কংগ্ৰেছৰ সভাপতি চি, আৰ দাস হৈছিল। ফুকনৰ লগত চি, আৰ দাসৰ বৰ বন্ধুত্ব থকাৰ কাৰণে ফুকনে নিজৰ পৰিয়ালৰ সৈতে প্ৰেছিডেণ্টৰ কেম্পত ঠাই পাইছিল। আমি গয়া পাওঁতে ৰাতিপুৱা ১০ মান বাজিছিল। পুৰুষ আৰু মহিলাৰ প্ৰতিনিধি শিবিৰ দূৰে দূৰে আছিল। ককাইদেৱে মোক তিৰোতাৰ কেম্পত নমাই বাপধনৰ সৈতে পুৰুষৰ কেম্পলৈ গ'ল। তিৰোতাৰ কেম্পত গা আদি ধোৱাৰ ব্যৱস্থা মোৰ খুব বেয়া লাগিছিল, গোটেই মুকলি ঠাইতে যেন লাগিছিল। মই ১০ বজাৰ পৰা তিনি বজালৈ গা ধোৱা কাপোৰ হাতত লৈ তিৰোতাৰ সমাগম কমিবৰ কাৰণে বাট চাই আছিলোঁ। এনেতে যজ্ঞেশ্বৰ বৰুৱা (ভুবনেশ্বৰ বৰুৱাৰ নুমলীয়া ভায়েক, সম্বন্ধত মোৰ ভাই) আহি মোৰ খবৰ কৰিলেহি। মোক তেনেকুৱা অৱস্থাত দেখি তেওঁ কলে, "বাইদেউ, মই বুজিছো আপুনি এই কেম্পত থাকিব

নোৱাৰিব।” তেওঁ গৈ ককাইদেউ আৰু লক্ষেশ্বৰ ককাইদেউক মোৰ কথা কলেগৈ ।

লক্ষেশ্বৰ ককাইদেৱে মোৰ থকা মেলাৰ অসুবিধাৰ কথা ফুকনক জনালেগৈ । তেতিয়ালৈকে মই ব্যক্তিগত ভাবে ফুকনক জনা নাছিলোঁ। তেওঁৰ পৰিবাৰ কিন্তু আমাৰ ওচৰৰে ছোৱালী আছিল, আমাৰ ঘৰৰ ওচৰৰ পৰশুৰাম খাউণ্ডৰ জীয়েক। সৰুতে আমি একেলগে উমলিছিলো । মই বি,এ পাছ কৰি মহাত্মাৰ আন্দোলনত যোগদান কৰাত কংগ্ৰেছ মহলত মোক নজনা লোক খুব কমেই আছিল বুলি কলেও বঢ়াই কোৱা নহয়। ফুকনে নিজৰ পৰিবাৰৰ লগত পৰামৰ্শ কৰি তেওঁবিলাক থকা তম্বুতে মোৰ কাৰণেও এটা কোঠা ঠিক কৰি দিলে। ৩।। মান বজাত লক্ষেশ্বৰ ককাইদেৱে মাক মোৰ বিচনা-পত্ৰৰে সৈতে আনি ফুকনৰ ওচৰত গটাই দিলে। ফুকনৰ পৰিবাৰে মোক সাদৰ-সম্ভাষণ জনালে। ফুকন-ফুকননীহঁতৰ লগত তেওঁবিলাকৰ প্ৰথমা কন্যা প্ৰতিভাও আছিল । মই প্ৰেছিডেণ্ট কেম্পলৈ অহাৰ পিচত মোৰ ককাইদেউ, ৰজনী কান্ত বৰুৱাই বাপধনক আনি মোৰ লগত থলেহি, তেওঁকো ৰখা মেলাৰ অসুবিধা হৈছিল তেওঁবিলাকৰ কেম্পত ।

ডাঙৰ স্কুলঘৰ এটাত প্ৰেছিডেণ্টে নিজৰ পৰিয়াল, আত্মীয়-কুটুম্বৰে সৈতে আছিল। প্ৰেছিডেণ্ট থকা ঘৰৰ ওচৰৰ কম্পাউণ্ডত তেওঁৰ জনা-শুনা বন্ধু-বান্ধৱৰ কাৰণে কেবাটাও তম্বু টানি দিছিল। তাৰে এটাত ফুকনে পৰিয়াল লৈ আছিল। খোৱা-বোৱা প্ৰেছিডেণ্ট থকা ঘৰত গৈ কৰিব লাগিছিল ।

প্ৰেছিডেণ্ট কেম্পত মই বহুত চিনাকি মহিলাক লগ পাইছিলো। কোনো কোনোৱে মোৰ লগত কলেজতো পঢ়িছিল। চি, আৰ দাসৰ পৰিবাৰ আৰু বোৱাৰীয়েকে প্ৰায়ে আমাৰ খোৱা চোৱা মোৰ মনত পৰে । সভা মণ্ডপ সভাপতিৰ থকা ঠাইৰ পৰা দূৰৈত পতা হৈছিল। সভাপতিক পৰিয়ালৰ সৈতে অনা-নিয়া

কৰা যান-বাহনৰ সুবিধা আমিও গ্ৰহণ কৰিবলৈ সুযোগ পাইছিলো। প্ৰেছিডেন্ট কেম্পত থকাৰ কাৰণে সভাত যোগদান কৰিবলৈ আগত ঠাই পাইছিলোঁ। ৰাজাগোপালাচাৰীৰ চিঞৰি চিঞৰি দিয়া বক্তৃতাৰ কথা এতিয়াও মোৰ মনত স্পষ্ট ভাৱে আছে।

যতদূৰ সম্ভৱ ডাক্তৰ দাসে ফুকনক মোৰ কথা কৈছিল। ফুকনক ডাক্তৰ দাসে শ্ৰদ্ধা কৰিছিল আৰু ভাল পাইছিল। গুৱাহাটীত ফুকনহঁতৰ ঘৰৰ লগত ডাক্তৰ দাসৰ বৰ ঘনিষ্ঠ সম্বন্ধ আছিল।

এদিন ফুকনে মোক কৈছিল, "তোমাক মই কথা এটা সুধিব খুজিছো যদি সুধিবলৈ মোক মত দিয়া। আৰু মোৰ ওপৰত বিশ্বাস কৰি তুমি কথাটোৰ উত্তৰ দিবা বুলি আশা কৰিছো"।

মোৰ উত্তৰলৈ বাট নাচাই ফুকনে আৰম্ভ কৰিলে, 'ডাক্তৰৰ লগত তোমাৰ চিনা-পৰিচয় হোৱা বিষয়ে মই জানিব পাৰিছো। ডাক্তৰে মাত্ৰ বিলাতৰ পৰা উভতি আহিছে। ডাক্তৰৰ প্ৰতি তোমাৰ মনৰ ভাব কেনে? তোমালোকৰ পৰিয়ালৰ আপত্তি নহলে আমি তোমালোক দুজনৰ বিয়া গয়াতে পাতিবলৈ ইচ্ছা কৰিছোঁ। ডাক্তৰৰ বুঢ়া দেউতাকে এই বিয়াত মত দিয়াৰ আশা কম, কিয়নো কামৰূপৰ সৰহভাগ মানুহে উজনিৰ মানুহক আহোমৰ বংশধৰ বুলি ভাবে। ডাক্তৰৰ পৰা জানিব পাৰিছো তেওঁৰ ঘৰত এই বিয়াৰ সম্পৰ্কে ঘোৰ আপত্তি হ'ব।"

ফুকনৰ কথা শুনি মই লাজত মৰি যোৱা যেন হলো আৰু মোৰ বৰ কেনেবা কেনেবা লাগিল। ভাবিলো দেশৰ গতি কোনফালে চলিছে? কংগ্ৰেছৰ সভালৈ আহি কেনেকৈ গয়াত বিয়া পতাৰ কথা ফুকনৰ নিচিনা মানুহে মোক কব পাৰিছে? মই ফুকনৰ এটা কথাৰো উত্তৰ নিদি মনে মনে থাকিলো।

ফুকন মোৰ ওপৰত বেছ অসন্তুষ্ট হৈছিল বুলি মই ভালকৈ বুজিব পাৰিছিলো।

ফুকনে পিচত ককাইদেউকো মোক কোৱা কথা সুধিছিল। ককাইদেৱে কলে-গয়াত বিয়া হব নোৱাৰে, বিয়া ডিব্রুগড়তে পাতিব লাগিব।

ডাক্তৰ দাসে নিজে ককাইদেউক লগ ধৰি বিয়াৰ কথা কৈছিল। বিয়া সোনকালে পাতিলে তেওঁৰ সুবিধা হোৱাৰ কথাও জনাইছিল, কিয়নো তেওঁ সোনকালে আকৌ বিদেশলৈ যোৱাৰ কথা আছে বুলি কৈছিল। ককাইদেৱে মোক সকলো কথা উভতি আহোতে ৰেলতে জনাইছিল। ডাক্তৰ দাসৰ বিষয়ে প্রশংসা কৰি মোৰ আগতে কৈছিল। কাৰণ তেতিয়াও ককাইদেৱে মোৰ মনৰ কথা বুজিব পৰা নাছিল। কিজানি মই আগৰ দৰে বিয়াকে নকৰাওঁ বুলি কওঁ। মই ভাবিবলৈ ধৰিলো মোৰ বিয়া নকৰাই আৰু নিস্তাৰ নাই। বিয়া যদি কৰাবই লাগে, ডাক্তৰ দাসকেই কৰাব লাগিব। মানুহ হিচাপে ডাক্তৰ দাসৰ প্রতি মোৰ বৰ ওখ ধাৰণা জন্মিছিল। তেওঁ যি সংযত ভাৱে চিঠি-পত্রৰ দ্বাৰা মোৰ লগত চিনা-পৰিচয় হবলৈ যত্ন কৰিছিল তাতেই মই তেওঁক সৰ্ব্বসাধাৰণৰ পৰা বেলেগ চকুৰে চাবলৈ বাধ্য হৈছিলো। ঘৰক অসন্তুষ্ট কৰি তেওঁ বিয়া পাতিবলৈও কুণ্ঠিত অনুভৱ কৰিছিল। গতিকে তেওঁৰ পৰম বন্ধু, ফুকনৰ সহায় তেওঁ এই বিষয়ে বিচাৰিবলৈ বাধ্য হৈছিল।

গয়াৰ পৰা উভতি অহাৰ পিচত আমাৰ ঘৰত ককাইদেউৰ পৰা দেউতা-আয়ে সকলো কথা জানিব পাৰিলে। আইদেউতাৰ আগৰে পৰা ডাক্তৰ দাসৰ প্রতি মত আছিল। গয়াৰ পৰা উভতি আহি ককাইদেৱেও ডাক্তৰ দাসৰ লগত মোৰ বিয়া হোৱাকে বিচাৰিলে। অৱশ্যে ককাইদেৱে মই দেশ সেৱাত আত্মনিয়োগ যাতে কৰিবলৈ সমর্থ হ'ব পাৰো সেই বিষয়ে মোক আগুৱাই

লৈ যাবলৈ যত্নত আছিল। মোৰ প্ৰতি আইদেউতাৰ সম্পূৰ্ণ অধিকাৰত ককাইদেৱে হস্তক্ষেপ কৰিবলৈ সাহ নকৰিছিল।

তেওঁ এবাৰ আইক কৈছিল, মোক বিয়া দিবলৈ যত্ন নকৰিলেই তেওঁ বৰ সুখী হ'ব। কিন্তু গয়া কংগ্ৰেছৰ পৰা উভতি আহি ককাইদেৱে নিজৰ মত বদলাই ডাক্তৰ দাসৰ লগত মোৰ বিয়াৰ সপক্ষে মত প্ৰকাশ কৰিছিল। কিছুদিনৰ পিচত ডাক্তৰ দাসৰ দেউতাকে ছোৱালী খুজি আমাৰ দেউতালৈ চিঠি দিলে। পিচত জানিব পাৰিছিলো সেই চিঠি ডাক্তৰ দাসে ফুকনৰ সহায়তহে দেউতাকৰ পৰা লিখাব পাৰিছিল। ফুকনে আমাৰ বংশ উত্তৰ গুৱাহাটীৰ ঈশ্বৰ প্ৰসাদ বৰুৱাহঁতৰ বংশৰ বুলি বুজোৱাত আৰু তাৰ প্ৰমাণ পোৱাৰ পিচত ডাক্তৰ দাসৰ দেউতাকে দেউতালৈ সোনকালে বিয়াখন পাতিব লাগে বুলি চিঠি দিলে। ডাক্তৰ দাসে নিজৰ বন্ধুসকলৰ সহায়ত দেউতাকৰ মত লৈ ডিব্ৰুগড়ত বিয়া পাতিবলৈ ওলাল। অৱশ্যে তেওঁ নিজেই বিয়াৰ যোগাৰ কৰিব লাগিছিল। ফুকনে ডাক্তৰ দাসক সকলো বিষয়ে পৰামৰ্শ দিছিল নিজে তিনিদিন ধৰি ডিব্ৰুগড়ত আছিল গৈ ডাক্তৰ দাসৰ লগত। বিয়া সুকলমে সম্পন্ন হোৱাৰ কাৰণে ফুকন আৰু কামাখ্যা বাম বৰুৱাই বৰ যত্ন কৰিছিল। দুয়ো ডিব্ৰুগড়লৈ গৈছিল। সেই সময়ত কামৰূপ আৰু উজনি অসমৰ ভিতৰত বিয়াৰ প্ৰচলন বৰ কম আছিল। ভাষাৰ বিষয় লৈয়ে উভয় ঠাইৰ মানুহৰ ভিতৰত মনৰ সমিল মিল নাছিল।

আমাৰ সময়ত কন্যাক সিংখাপ নাইবা গুণাৰে ফুল বছা ৰিহা-মেখলা-কাপোৰ পিন্ধোৱা হৈছিল। মহাত্মাৰ অসহযোগ আন্দোলনত আমি বিদেশী বহুমূলীয়া কাপোৰ-কানি বৰ্জ্জন কৰিছিলো। কন্যা হোৱাত মোৰ ইচ্ছা মতেই মোক মুগাৰ ৰিহা-মেখলা, মুগা সূতাৰে দাঁতিত ফুল বছা পাতৰ চাদৰ পিন্ধোৱা হৈছিল। মোৰ কন্যাৰ সাজৰ বিষয়ে তিৰোতা সমাজত নানা কথোপকথন চলিছিল। বোধকৰো কন্যাৰ তেনেকুৱা সাজপোছাক মানি লবলৈ তেওঁবিলাকে টান পাইছিল।